# PRADIP

## প্ৰদীপ

অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ’

---

# ইনষ্টলেচন নিৰ্দেশিকা

সংস্কৰণ ১ · অক্টোবৰ ২০২৬

> মোৰ গৱেষণা-গুৰু অধ্যাপক প্ৰদীপজ্যোতি মহন্ত চাৰৰ হাতত শিষ্যৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা স্বৰূপে অৰ্পণ কৰিলোঁ

অসমৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ সৃষ্টি

https://aank.org/digital-tools/pradip/

কম্পিউটাৰ, ফ'ন বা টেবলেটত প্ৰদীপ খোলা, ইনষ্টল কৰা আৰু কাম সুৰক্ষিতে ৰখাৰ নিয়ম।

## ১ প্ৰদীপ ব্যৱহাৰৰ দুটা উপায়

প্ৰদীপ ৱেব ব্ৰাউজাৰত চলে। কোনো এপ-ষ্ট'ৰৰ পৰা ইনষ্টল কৰিব নালাগে, একাউণ্টৰো প্ৰয়োজন নাই, আৰু আপোনাৰ খচৰা আপোনাৰ নিজৰ ডিভাইচতে থাকে।

- **ৱেব এপ:** `https://aank.org/apps/pradip/` খোলক। তাৰ পৰাই ইনষ্টল কৰিব পাৰি; তাৰ পাছত ইণ্টাৰনেট নোহোৱাকৈও চলে আৰু নিজে নিজে আপডেট হয়।
- **একক ফাইল:** `PRADIP-1.html`, লেপটপ আৰু কম্পিউটাৰৰ বাবে। `https://aank.org/digital-tools/pradip/` পৃষ্ঠাৰ পৰা এবাৰ ডাউনল'ড কৰি Chrome বা Edge-ত খুলিলে ইণ্টাৰনেট নোহোৱাকৈও চলে।

প্ৰদীপ খুলিলে প্ৰথমে আৰম্ভণিৰ পৃষ্ঠা আহে। **প্ৰৱেশ কৰক** টিপি কাম আৰম্ভ কৰক।

## ২ ফ'ন বা টেবলেটত ইনষ্টল

- **Android:** Chrome-ত `https://aank.org/apps/pradip/` খোলক। Chrome-ৰ মেনু (⋮) খুলি **Install app** বা **Add to Home screen** বাছক।
- **iPhone বা iPad: Safari**-ত `https://aank.org/apps/pradip/` খোলক। **Share** বুটামটো টিপক, তাৰ পাছত **Add to Home Screen** আৰু শেষত **Add** টিপক।

> **মনত ৰাখিব**
> iPhone আৰু iPad-ত প্ৰদীপ সদায় Home Screen-ৰ আইকনৰ পৰা খোলক। প্ৰায় এসপ্তাহ নোখোলা ৱেবছাইটৰ সংৰক্ষিত তথ্য Safari-এ মচি পেলাব পাৰে, কিন্তু Home Screen-ৰ এপৰ তথ্য থাকি যায়।

## ৩ কম্পিউটাৰত ইনষ্টল

1. Chrome বা Edge-ত `https://aank.org/apps/pradip/` খোলক।
2. ঠিকনা-পট্টিৰ সোঁফালে থকা ইনষ্টল আইকনটো টিপক।
3. প্ৰদীপ নিজা ৱিণ্ড'ত খোলে আৰু আন প্ৰ'গ্ৰামৰ দৰেই এটা আইকন পায়। ইণ্টাৰনেট নোহোৱাকৈও চলে।

## ৪ একক ফাইলৰ সংস্কৰণ

1. `https://aank.org/digital-tools/pradip/` পৃষ্ঠাৰ পৰা `PRADIP-1.html` ফাইলটো ডাউনল'ড কৰক।
2. ফাইলটো সহজে বিচাৰি পোৱা ফ'ল্ডাৰত ৰাখক।
3. দুবাৰ ক্লিক কৰি Chrome বা Edge-ত খোলক। আন কোনো প্ৰ'গ্ৰামত খোলে যদি ফাইলটোত ৰাইট-ক্লিক কৰি **Open with** বাছক, তাৰ পাছত Chrome বা Edge বাছি লওক।

কাৰোবাক প্ৰদীপ দিব খুজিলে ফাইলটো নহয়, ৱেব লিংকটোহে পঠিয়াওক।

## ৫ ফ'ন আৰু WhatsApp

- WhatsApp-ত `https://aank.org/apps/pradip/` লিংকটো পঠিয়াওক। WhatsApp-এ নিজৰ ভিতৰতে লিংকটো খুলিলে ⋮ বা Share টিপি **Open in Chrome** বা **Open in Safari** বাছক।
- WhatsApp-ত পঠোৱা HTML ফাইল সাধাৰণতে এনে প্ৰিভিউত খোলে, য'ত এপ নচলে। "এই ভিউৱাৰে এপটো চলিবলৈ দিয়া নাই" বুলি দেখিলে লিংকটো Chrome বা Safari-ত খোলক।
- ফ'নত পঢ়া আৰু সৰু-সুৰা সলনিৰ বাবে সুবিধাজনক। খচৰা লিখা আৰু ছপা কৰাৰ বাবে লেপটপ বা কম্পিউটাৰ ব্যৱহাৰ কৰক।

## ৬ খচৰা সুৰক্ষিতে ৰখা

- আপোনাৰ খচৰা এই ডিভাইচৰ ব্ৰাউজাৰত আপোনা-আপুনি সংৰক্ষিত হৈ থাকে।
- সঘনাই **বেকআপ লওক**। ই এটা বেকআপ ফাইল (`.json`) সংৰক্ষণ কৰে, বা বেকআপৰ লিখনি কপি কৰে, যিটো আপুনি ৰাখিব আৰু আন ডিভাইচত খুলিব পাৰে।
- **বেকআপ খোলক**ৰ পৰা সেই ফাইল বা লিখনিৰে খচৰাটো পুনৰ খুলিব পাৰি।
- বেকআপ ফাইলৰ এটা প্ৰতিলিপি Google Drive, পেন ড্ৰাইভ বা ই-মেইলত ৰাখক।
- ব্ৰাউজাৰৰ তথ্য মচিলে কেৱল ব্ৰাউজাৰত থকা খচৰা মচ খাই যায়। তাৰ আগতে বেকআপ লওক।

## ৭ আপডেট

ৱেব এপ নিজে নিজে আপডেট হয়; ইণ্টাৰনেট থকা অৱস্থাত খুলিলে নতুন সংস্কৰণ পাব। একক ফাইলৰ বাবে নতুন ফাইলটো ডাউনল'ড কৰক; আপোনাৰ বেকআপ নতুন সংস্কৰণতো খোলে।

## ৮ অসমীয়া ফণ্ট

কম্পিউটাৰত অসম প্ৰকাশন পৰিষদৰ বাণীকান্ত (Banikanta) ফণ্ট ইনষ্টল কৰা থাকিলে প্ৰদীপ আৰু তাৰ পৰা উলিওৱা Word ফাইলত সেই ফণ্টটোৱেই ব্যৱহাৰ হয়। ফণ্টটো পৰিষদৰ ৱেবছাইট publicationboardassam.com-ৰ পৰা নমাব পাৰি। নাথাকিলে প্ৰদীপে অসমীয়া সমৰ্থন কৰা আন এটা Unicode ফণ্ট ব্যৱহাৰ কৰে।

## ৯ কি কি লাগিব

| | |
|---|---|
| **কম্পিউটাৰ** | Windows, macOS, Linux বা ChromeOS, লগত শেহতীয়া Chrome বা Edge (আটাইতকৈ ভাল)। Firefox আৰু Safari-তো এপটো খোলে। |
| **Android** | Chrome-ৰ শেহতীয়া সংস্কৰণ। |
| **iPhone আৰু iPad** | Safari, Add to Home Screen-ৰ সৈতে। |
| **ইণ্টাৰনেট** | কেৱল প্ৰথমবাৰ খোলোঁতে আৰু আপডেটৰ বাবে। |

## ১০ যোগাযোগ

প্ৰশ্ন, পৰামৰ্শ বা কিবা ভুল পালে ই-মেইল কৰক: mrinal.goswami2026@gmail.com

**আপোনাৰ কাম আপোনাৰ হাততে**

আপুনি লিখা সকলো খচৰা এই ডিভাইচতে থাকে। একো আপল'ড কৰা নহয়, একাউণ্টৰো প্ৰয়োজন নাই।

**প্ৰদীপ (PRADIP)** · সংস্কৰণ ১

অসমৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ সৃষ্টি।
© ২০২৬ ড° মৃণাল জ্যোতি গোস্বামী আৰু AANK_A Creative Line

প্ৰদীপ বিনামূলীয়া। গৱেষণাৰ গভীৰ কামৰ বাবে ‘মৃণালৰ অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ’’ নামৰ বেলেগ, মূল্য দি ল’ব লগা চফ্টৱেৰ আছে।

মতামত: mrinal.goswami2026@gmail.com · সকলো ডিজিটেল আহিলা: `https://aank.org/digital-tools/`